# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000
Date : 19-12-2025

**Time :** 1800 Hrs.

***Assamese Midday Bulletin***
**<u>HEADLINE</u>**

00000

১। দুদিনীয়া ভ্ৰমণসূচীৰে কাইলৈ অসমলৈ আহিবলগীয়া প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক আদৰাৰ বাবে ৰাজ্য চৰকাৰে যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ।

২। প্ৰধানমন্ত্ৰীৰ কাইলৈ বৰঝাৰৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ নৱনিৰ্মিত টাৰ্মিনেল উদ্বোধন।

৩। ধিঙৰ গেৰেকনি বিলত নগাঁও জিলা প্ৰশাসনৰ উচ্ছেদ অভিযান।

**আৰু**

৪। আহমেদাবাদত আজি ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ অন্তিমখন খেল

00000

দুদিনীয়া ভ্ৰমণসূচীৰে কাইলৈ অসমলৈ আহিবলগীয়া প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক আদৰাৰ বাবে ৰাজ্য চৰকাৰে যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাকে ধৰি অন্যান্য মন্ত্ৰীসকলে প্ৰধানমন্ত্ৰীয়ে অংশগ্ৰহণ কৰিবলগীয়া কাৰ্যসূচীসমূহৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গঢ়ি তুলিছে। প্ৰধানমন্ত্ৰীগৰাকীয়ে কাইলৈ গুৱাহাটীত অসমৰ প্ৰথমগৰাকী মুখ্যমন্ত্ৰী লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ প্ৰতিমূৰ্তি উন্মোচন কৰিব। তেওঁ লগতে বৰঝাৰৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ নৱনিৰ্মিত টাৰ্মিনেল উদ্বোধন কৰিব। এই টাৰ্মিনেলৰ উদ্বোধনে অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্য কেইখনৰ আন্তঃগাঁথনিৰ উপৰি যোগাযোগ ব্যৱস্থা, উদ্যোগ-বাণিজ্য আৰু পৰ্যটনকে ধৰি সৰ্বাংগীন উন্নয়ন ত্বৰান্বিত কৰিব বুলি আশা কৰা হৈছে। শ্ৰীমোদীয়ে ৰাজ্যিক বিজেপিৰ কাৰ্যালয়ত দলৰ কৰ্মকৰ্তাসকলৰ সৈতে মত বিনিময় কৰিব। প্ৰধানমন্ত্ৰী মোদীৰ সন্মানাৰ্থে দলীয় কৰ্মকৰ্তাসকলে ৰোড শ্ব'ৰ আয়োজন কৰিছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমানবন্দৰৰ নতুন টাৰ্মিনেল ভৱন উদ্বোধন কৰাৰ পাছত বৰঝাৰত সম্বোধন কৰিবলগীয়া ৰাজহুৱা সভাৰ ভাষণ আকাশবাণী গুৱাহাটী কেন্দ্ৰই বিয়লি ৩ বাজি ৪৫ মিনিটৰ পৰা পোনপটীয়াকৈ প্ৰচাৰ কৰিব। এই অনুষ্ঠানত মহাবাহু শাখাৰ মিডিয়াম ৱেভ আৰু এফ এম বেণ্ডত প্ৰচাৰিত হোৱাৰ লগতে ৰাজ্যৰ আটাইবোৰ কেন্দ্ৰই ৰিলে কৰিব। আমাৰ বাতৰি বুলেটিনকে ধৰি কেন্দ্ৰৰ নিয়মীয়া অনুষ্ঠানসমূহ নিউজ অন এ আই আৰ এপযোগে প্ৰচাৰিত হ'ব।

শ্ৰীমোদীয়ে পৰহিলৈ গুৱাহাটীৰ নৌ পৰিবহণ টাৰ্মিনেলত চৰাইদেউ জাহাজত ৰাজ্যৰ কেইবাগৰাকী মেধাৱী শিক্ষাৰ্থীৰ সৈতে **পৰীক্ষা পে চৰ্চা** অৰ্থাৎ পৰীক্ষা সম্পৰ্কীয় বিষয় লৈ আলোচনা কৰিব। ইয়াৰ পাছত তেওঁ অসম আন্দোলনৰ অমৰ ছহিদসকলৰ স্মৃতিত গুৱাহাটীৰ পশ্চিম বৰাগাঁৱত নিৰ্মাণ কৰা ছহিদ স্মাৰক ক্ষেত্ৰ পৰিদৰ্শন কৰিব। তেওঁ লগতে ৮৬০ গৰাকী বীৰ ছহিদক প্ৰণিপাত জনাই ছহিদ বেদীত পুষ্পাঞ্জলি অৰ্পণ কৰিব। ইয়াৰ পৰিপ্ৰেক্ষিতত ২১ ডিচেম্বৰলৈ দৰ্শনাৰ্থীৰ বাবে ছহিদ স্মাৰক বন্ধ থাকিব। তদুপৰি কাইলৈ আৰু পৰহিলৈ গুৱাহাটী-উত্তৰ গুৱাহাটী সংযোগী তিনিটা ঘাটৰ ফেৰী সেৱাও বন্ধ থাকিব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি গে'টৱে অৱ গুৱাহাটী টাৰ্মিনেল পৰিদৰ্শন কৰি সকলো দিশ পৰ্যালোচনা কৰে।

শ্ৰীমোদী দেওবাৰে নামৰূপলৈ যাব আৰু তেওঁ নামৰূপ সাৰ কাৰখানাত নতুন ব্ৰাউনফিল্ড এমনিয়া ইউৰিয়া প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। তেওঁ লগতে এখন জনসভাতো অংশ ল'ব। নামৰূপত ব্ৰহ্মপুত্ৰ ভেলী ফাৰ্টিলাইজাৰ কৰ্পোৰেচন লিমিটেডৰ বৰ্তমানৰ চৌহদত ১০ হাজাৰ কোটিৰো অধিক টকা ব্যয়সাপেক্ষে নিৰ্মাণ হ'বলগীয়া চতুৰ্থটো সাৰ প্ৰকল্পই ৰাজ্যখনৰ অৰ্থনীতি শক্তিশালী কৰাত সহায় কৰিব বুলি আশা কৰা হৈছে। মন্ত্ৰী বিমল বৰাই আজি নামৰূপত প্ৰধানমন্ত্ৰীয়ে অংশগ্ৰহণ কৰিবলগীয়া জনসভাৰ প্ৰস্তুতিৰ পৰ্যালোচনা কৰে।

**বাইট (বিমল বৰা)**

ooooo

নগাঁও জিলা প্ৰশাসনে আজি ধিং ৰাজহ চক্ৰৰ অন্তৰ্গত গেৰেকনি গাঁৱৰ গেৰেকনি বিলত উচ্ছেদ চলায়। আৰক্ষী প্ৰশাসনৰ সহযোগত পুৱা ৮ বজাৰ পৰা চলোৱা এই উচ্ছেদ অভিযানত গেৰেকনি বিলৰ চৰকাৰী ভূমি দখল কৰি অবৈধভাৱে খন্দা পুখুৰীসমূহৰ মাটি দখলমুক্ত কৰা হয়। আমাৰ নগাঁ জিলাৰ সংবাদদাতাই জনোৱা মতে, গেৰেকনি অঞ্চলৰ কিছুসংখ্যক লোকে বিলখনত পাৰ বান্ধি বৃহৎ পুখুৰী খান্দি বহু বছৰ ধৰি মাছৰ ব্যৱসায় কৰি আহিছিল। ইয়াৰ ফলত বিলখনৰ পাৰিপাৰ্শ্বিকতা বিপন্ন হোৱাৰ লগতে সমগ্ৰ অঞ্চলটোত কৃত্ৰিম বানৰ সৃষ্টি হৈ স্থানীয় ৰাইজৰ কৃষি কৰ্মৰ বিস্তৰ ক্ষতি হৈছিল। প্ৰশাসনে আজি এছকেলেটৰৰ জৰিয়তে পুখুৰীৰ পাৰৰ বান্ধসমূহ ভাঙি পেলায়। বিলখন সম্পূৰ্ণৰূপে দখলমুক্ত নোহোৱা পৰ্য্যন্ত এই উচ্ছেদ অভিযান চলি থাকিব বুলি প্ৰশাসনৰ সূত্ৰই প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে, চৰকাৰী ভূমি, সংৰক্ষিত বনাঞ্চল আৰু জলাশয়সমূহক অবৈধ দখলকাৰীৰ কবলৰ পৰা মুক্ত কৰাৰ বাবে ৰাজ্য চৰকাৰে নিৰন্তৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে।

ooooo

শোণিতপুৰ জিলাৰ বুঢ়া চাপৰি বন্যপ্ৰাণী অভয়াৰণ্যৰ অন্তৰ্গত বনানীকৰণৰ বাবে নিৰ্ধাৰিত ভূমিত অবৈধভাৱে বাস কৰা লোকসকলক উচ্ছেদৰ বাবে জিলা প্ৰশাসনে বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। জিলা আয়ুক্ত আনন্দ কুমাৰ দাসৰ নেতৃত্বত আজি চৰকাৰী বিষয়াৰ এটা দলে দখলীকৃত অঞ্চলসমূহ পৰিদৰ্শন কৰি পৰিস্থিতিৰ বুজ লয়। উল্লেখযোগ্য যে, বুঢ়া চাপৰি সংৰক্ষিত বনাঞ্চলৰ ক্ষতিপূৰণমূলক বনানীকৰণৰ বাবে ইতিমধ্যে

আবণ্টিত প্ৰায় ছহেজাৰ দুশ বিঘা ভূমি বৰ্তমানো অবৈধ দখলকাৰীৰ কৱলত আছে। ৰাজহ চক্ৰ কাৰ্য্যালয় আৰু বন বিভাগৰ বিষয়াই ইতিপূৰ্বে এই অঞ্চল পৰিদৰ্শন কৰি দখলকাৰীসকলক চৰকাৰী ভূমি খালী কৰিবলৈ জাননী প্ৰেৰণ কৰিছিল, কিন্তু এমাহৰ সময়সীমা পাৰ হৈ যোৱাৰ পাছতো দখলকাৰীসকলে এই ভূমি খালী নকৰাত জিলা আয়ুক্তৰ নেতৃত্বত আজি পুনৰ ক্ষেত্ৰভিত্তিক পৰিদৰ্শন কৰা হয়। বিষয়াৰ দলটোৱে দখলকাৰীসকলৰ সৈতে মত বিনিময় কৰি তেওঁলোকক শীঘ্ৰে সেই স্থানৰ পৰা আঁতৰি যাবলৈ পৰামৰ্শ দিয়ে।

ooooo

ধেমাজি জিলা শিক্ষা বিভাগৰ অধীনত আজি আয়োজিত এটা অনুষ্ঠানত জিলাখনৰ সদ্য নিযুক্তিপ্ৰাপ্ত স্নাতক আৰু স্নাতকোত্তৰ শিক্ষকসকলক শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে নিযুক্তিথলীৰ পত্ৰ বিতৰণ কৰে। জিলাখনৰ মুঠ ২০৯ গৰাকী শিক্ষক-শিক্ষয়িত্ৰীক তেওঁলোকে বাছনি কৰা শিক্ষানুষ্ঠানৰ বাবে নিযুক্তি দিয়া হয়।

জিলা শিক্ষা বিভাগৰ উদ্যোগত আৰু ধেমাজি জিলা অধিবিদ্যা পৰিষদৰ সহযোগত ধেমাজি ৰাজহুৱা প্ৰেক্ষাগৃহত আয়োজিত এই অনুষ্ঠানত অংশগ্ৰহণ কৰি মন্ত্ৰী ডাঃ পেগুৱে শিক্ষক-শিক্ষয়িত্ৰীসকলক কৰ্মজীৱনৰ শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে নিজৰ শিক্ষানুষ্ঠানখনত নিষ্ঠাৰে সেৱা আগবঢ়াবলৈ আহ্বান জনায়। শিক্ষামন্ত্ৰীগৰাকীয়ে বিজ্ঞান শিক্ষাৰ প্ৰতি ছাত্ৰ-ছাত্ৰীৰ ধাউতি বঢ়াবৰ বাবে শিক্ষা বিভাগে বিশেষ ব্যৱস্থা গ্ৰহণ কৰাৰ কথাও প্ৰকাশ কৰে। চৰকাৰে ইতিমধ্যে এহেজাৰ ৬০০ গৰাকী গণিত শিক্ষক নিযুক্তিৰ ব্যৱস্থা কৰা বুলিও শিক্ষামন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। অনুষ্ঠানৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত ডাঃ পেগুৱে শিক্ষকৰ পদোন্নতিৰ বিষয়টো গুৰুত্বসহকাৰে লোৱা হ'ব বুলি জানিবলৈ দিয়ে।

**বাইট (ডাঃ ৰণোজ পেগু)**

ooooo

ধেমাজি জিলাৰ বনাঞ্চলসমূহত নানান প্ৰজাতিৰ পৰিভ্ৰমী চৰাইৰ আগমণ ঘটিছে। জিলাখনৰ জোনাইৰ মাজেৰে বৈ যোৱা চিয়াং নৈ আৰু পবা বনাঞ্চলৰ দাঁতি কাষৰীয়া লালী চিয়াং নৈত শীতৰ এই সময়ছোৱাত নানান পৰিভ্ৰমী চৰাই দেখা পোৱা গৈছে। খৰালী চিয়াং নৈৰ জলপৃষ্ঠ শুকাই যোৱাৰ ফলত সৃষ্টি হোৱা সৰু-বৰ জলাশয়সমূহ পৰিভ্ৰমী চৰাইৰ বাবে উপযুক্ত আশ্ৰয়স্থল হৈ পৰিছে। সেয়েহে দেশী-বিদেশী চৰাইসমূহে এই জলাশয়ত ভিৰ কৰা পৰিলক্ষিত হৈছে। একেদৰে, অসমৰ দ্বিতীয় বৃহৎ নদীদ্বীপ হিচাপে পৰিচিত কবু চাপৰিত বন ঘৰচীয়া ঘোঁৰাৰ মুক্ত বিচৰণে অঞ্চলটোত নান্দনিক পৰিৱেশৰ সৃষ্টি কৰিছে। পৰিভ্ৰমী চৰাইৰ মনোমোহা সৌন্দৰ্য্য উপভোগ কৰিবলৈ জিলাখনৰ এই অঞ্চলসমূহলৈ ভালেসংখ্যক প্ৰকৃতিপ্ৰেমী আৰু চৰাই পৰ্য্যবেক্ষকৰ আগমণ ঘটিছে বুলিও আমাৰ ধেমাজিৰ সংবাদদাতাই জনাইছে।

ooooo

যোৰহাটৰ বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠানে নাবাৰ্ডৰ সহযোগত আয়োজন কৰা জলবায়ু সহনশীল কৃষি বনানীকৰণ আৰু জীৱিকা শীৰ্ষক তিনিদিনীয়া প্ৰশিক্ষণ কৰ্মশালাৰ আজি সামৰণি পৰে। প্ৰতিষ্ঠানটোৰ জ্যেষ্ঠ বিজ্ঞানী ৰাজীৱ কুমাৰ কলিতাৰ সঞ্চালনাত অনুষ্ঠিত এই কৰ্মশালাত পাঁচখন ৰাজ্যৰ ৩০ জন প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে। কৰ্মশালাত পৰিৱৰ্তিত জলবায়ুত কৃষি বনানীকৰণ আৰু জীৱিকাৰ বিভিন্ন বিষয় সন্দৰ্ভত কেইবাগৰাকী সমল ব্যক্তিয়ে প্ৰশিক্ষণ দিয়ে। প্ৰশিক্ষণৰ ক্ষেত্ৰভিত্তিক কাৰ্য্যসূচীৰ অংশ হিচাপে প্ৰশিক্ষাৰ্থীসকলক

যোৰহাটৰ কেন্দ্ৰীয় মুগা-এৰী গৱেষণা প্ৰতিষ্ঠান, অসম কৃষি বিশ্ববিদ্যালয় আৰু উত্তৰ-পূব বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান ভ্ৰমণ কৰোৱা হয়।

ooooo

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ পঞ্চম তথা অন্তিমখন খেল আজি আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। ভাৰত সম্প্ৰতি শৃংখলাত ২-১ ফলাফলত আগবাঢ়ি আছে।

ooooo

সমাপ্ত